# District Level Internal Examination, Lakhimpur

## Revisionary Examination -2025-26

Sub : Assamese (MIL)

Class : X

Time : 3 Hrs

Marks : 100

১/ অতি চমু উত্তৰ লিখা ঃ ১×২=২

(ক) নাৰায়ণ মূৰ্ত্তীয়ে প্ৰতিষ্ঠা কৰা কোম্পানীটোৰ নাম কি?

(খ) আৰ্যসকলৰ নতুন সাংস্কৃতিক ভেটি কি আছিল?

২/ চমু উত্তৰ লিখা ঃ (যিকোনো দুটা) ২×২=৪

(ক) উদ্যোগী সকলক প্ৰশিক্ষণ দিবৰ বাবে ভাৰত চৰকাৰে কি কি ব্যৱস্থা কৰিছে?

(খ) ভাৰতীয় সাহিত্য-জীৱনৰ বৈশিষ্ট্য কি?

(গ) অসমীয়া থলুৱা ভাষা কেনেকৈ কটকটীয়া হ'ল?

৩/ উত্তৰ লিখা ঃ ৪

(ক) ইন্‌ফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন? তেওঁ ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল ব্যৱসায়ী হোৱাৰ আঁৰৰ কাহিনীটো বৰ্ণনা কৰা।

বা

"ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।" - এই কথাষাৰ কিমান যুক্তিপূৰ্ণ, 'ভাৰতীয় সংস্কৃতি' পাঠৰ আধাৰত লিখা।

৪/ অতি চমু উত্তৰ লিখা ঃ ১×২=২

(ক) W.W.W. ধাৰণাটোৰ বীজ প্ৰথম ক'ত অংকুৰিত হৈছিল?

(খ) "চেমনীয়াৰ বিশ্ব সাহিত্য"ৰ লেখক কোন?

৫/ চমু উত্তৰ লিখা ঃ ২

"আটাইৰে মুখবোৰ শুকাই টেমি যেন হৈছিল।" - কাৰ, কি কাৰণত মুখবোৰ শুকাই টেমি যেন হৈছিল লিখা।

৬/ উত্তৰ লিখা ঃ ৪

(ক) এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে এই বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিটো ভৌতিক বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে।" - কথাষাৰ কোনে, কাক আৰু কিয় কৈছিল?

বা

"একোগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে।" - কথাষাৰৰ যুক্তিযুক্ততা অৰুণিমা সিন্‌হাৰ জীৱনৰ আধাৰত বুজাই লিখা।

৭/ অতি চমু উত্তৰ লিখা ঃ ১×২=২

(ক) কাজিৰঙাৰ প্ৰথম ভাৰতীয় তথা অসমীয়া অৰণ্য বিষয়াজন কোন?

(খ) ইৰাণীসকলে নৱবৰ্ষক কি বোলে?

৮/ পাৰস্যৰ কি কথাই লেখকক সদায় আকৰ্ষণ কৰিছিল ? ২

৯/ (ক) কাজিৰঙালৈ যাত্ৰা কৰি শিক্ষাৰ্থীসকলে কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষক-শিক্ষয়িত্ৰী সকলক অৱগত কৰিছিল ? ৩

বা

(খ) টেহৰাণৰ প্ৰাকৃতিক অৱস্থাৰ বিষয়ে চমুকৈ লিখা।

১০/ অতি চমু উত্তৰ লিখা ঃ ১×২=২

(ক) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে বৰগীত সমূহ কিয় ৰচিত কৰিছিল ?

(খ) জিকিৰত উল্লেখ থকা 'আদাম' কোন ?

১১/ চমু উত্তৰ লিখা ঃ ২×২=৪

(ক) মাধৱদেৱৰ সাহিত্যিক কৰ্মৰাজিৰ ভাগ সমূহ কি কি ?

(খ) খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত। - 'ৰছুল' আৰু 'মোমিন' শব্দ দুটাৰ অৰ্থ লিখা।

১২/ "মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি। ৩
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।" - কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

১৩/ অতি চমু উত্তৰ লিখা ঃ ১×৩=৩

(ক) মহামহিমৰ গান কিহে গায় বুলি কবিয়ে কৈছে ?

(খ) অসমীয়া সাহিত্যত 'গল্প সম্ৰাট' বুলি কাক কোৱা হয় ?

(গ) পঁজা ঘৰটিত মানুহজনে কেনেদৰে আছিল ?

১৪/ অসমলৈ যুদ্ধ কৰিবলৈ আহি মোগল সকলে অসমৰ ৰূপ কিদৰে বৰ্ণনা কৰিছে, বুজাই লিখা। ২

১৫/ উত্তৰ লিখা ঃ ৪

(ক) মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও
দিছে যাচি প্ৰেম-পৰিমল। - কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

নাইবা

(খ) "মই অসমীয়া" কবিতাটোৰ মূলভাৱ লিখা।

১৬/ (ক) তলৰ যিকোনো এটাৰ ব্যাসবাক্য সহ সমাসৰ নাম লিখা ঃ ১
পঞ্চনদ, কীটপতঙ্গ, উপবন।

(খ) তলৰ যিকোনো এটা শব্দৰ সন্ধি ভাঙা ঃ ১
সংহাৰ, গায়ক, যথাৰ্থ।

(গ) তলৰ বাক্যটি মিশ্ৰ বাক্যলৈ পৰিৱৰ্তন কৰা ঃ ১
মিছা কোৱাজনক সকলোৱে বেয়া পায়।

(ঘ) তলত দিয়া যিকোনো এটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা ঃ ১
অপৰাহ্ণ, সুষমা, কণ্টক।

(ঙ) যথা স্থানত যতি চিহ্ন বহুওৱা ঃ ১
তিলকে কৈছিল স্বাধীনতা মোৰ জন্মস্বত্ব

(চ) তলৰ যিকোনো এটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ এটি বাক্য ৰচনা কৰা ঃ ১
সাত ঘাটৰ চেঙেলী, গাই বাই চা, ন-দি-ক।

(ছ) তলৰ যিকোনো এটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ ১
বিস্তৃত, স্থাৱৰ, গহীন।

(জ) এটা শব্দত প্ৰকাশ কৰা ঃ (যিকোনো এটা) ১
যি আগেয়ে হোৱা নাই, মাটিৰে নিৰ্মিত, হঠাতে হোৱা ঘটনা।

(ঝ) তলত দিয়া যিকোনো এটা শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা ঃ ১
নাৱৰীয়া, দুষ্টামি, লিখোঁতা।

(ঞ) তলৰ যিকোনো এটাৰ সমাৰ্থক শব্দ লিখা ঃ ১
ধ্যানী, সুমধুৰ, আভা।

১৭/ তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) ভাৱ-সম্প্ৰসাৰণ কৰা ঃ
শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।

(খ) তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি বিদ্যালয়ত চাৰিদিন অনুপস্থিত থকাৰ কাৰণ দৰ্শাই ছুটী মঞ্জুৰিৰ বাবে এখন আবেদন লিখা।
(আবেদনত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা)

(গ) তোমাৰ অঞ্চলৰ বাট-পথ, দলং আদি নষ্ট হোৱাত সেইবোৰ মেৰামতিৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি-কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৮/ তলত দিয়া যিকোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা ঃ ৮

(ক) অসমত কাৰিকৰী শিক্ষাৰ ব্যৱস্থা।
(আৰম্ভণি - কাৰিকৰী বিদ্যাৰ আৱশ্যকতা - কাৰিকৰী শিক্ষা আৰু বৰ্ত্তমান অসম - সামৰণি)

(খ) তোমাৰ প্ৰিয় গ্ৰন্থ।
(আৰম্ভণি - গ্ৰন্থৰ পৰিচয় - ভাল লগাৰ কাৰণ - সামৰণি)

(গ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ।
(আৰম্ভণি - বৰ্ণনা - উপকাৰিতা - অপকাৰিতা - সামৰণি)

১৯/ "বৈচিত্ৰময় অসম" নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট যিকোনো দুটা জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ সম্পৰ্কে চমুকৈ লিখা। ২×২=৪

২০/ তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমুকৈ লিখা। ৩×২=৬

**(বিভাগ - খ)**

**মূল্যাংক ঃ ২৫**

২১/ অতি চমু উত্তৰ লিখা ঃ ১

(ক) 'বিয়াদযোগ' পাঠটি কৰ পৰা তুলি দিয়া হৈছে?

২২/ চমু উত্তৰ লিখা ঃ (যিকোনো এটা) ২

(ক) বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ বিষয়ে চমুটোকা লিখা।

(খ) কুলক্ষয় দোষক কিয় মহাপাপ বোলা হৈছে?

২৩/ উত্তৰ লিখা ঃ ৪

(ক) আজি কালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্য বহলাই লিখা।

নাইবা

(খ) তোমাৰ পাঠটিত উল্লেখ কৰা অনুসৰি পাণ্ডৱ সকলৰ যুদ্ধোৎসৱৰ বিষয়ে লিখা।

২৪/ অতি চমু উত্তৰ লিখা ঃ ১

কপিল মুনিৰ মাতৃ কোন আছিল?

২৫/ 'নহ'লে যে বিশ্ব-সভাত ২

নহ'ব তোৰ বহাৰ ঠাই।' - বিশ্ব সভাত বহাৰ ঠাই পাবলৈ কবিয়ে কি কৰিবলৈ নিৰ্দেশ দিছে?

নাইবা

মাকৰ কি কি গুণৰ কথা ক'বলৈ শিশু কৃষ্ণৰ লাজ লাগে বুলি কৈছিল লিখা।

২৬/ কৃষ্ণই বিভিন্ন সময়ত কি কি অৱতাৰ ধাৰণ কৰি কেনে কাৰ্য সাধন কৰিছিল? পাঠৰ আধাৰত বৰ্ণনা কৰা। ৪

নাইবা

পূজা দিলি পৰ চৰণত

জীৱন ঢালি ধাৰে-ঋণে - কোনে কাৰ চৰণত পূজা দিয়াৰ কথা কৈছে?

২৭/ (ক) তলৰ বাক্যটি শুদ্ধকৈ লিখা ঃ ১

মই দশমমান শ্ৰেণীত পঢ়োঁ

(খ) 'অপ' উপসৰ্গ ব্যৱহাৰ কৰি এটা শুদ্ধ বাক্য লিখা ঃ ১

(গ) খালী ঠাইত উপযুক্ত অনুসৰ্গ বহুওৱা ঃ ১

তুমি বৰষুণতে গলা..............।

(ঘ) তলত দিয়া যিকোনো এটাৰ সমাৰ্থক শব্দ লিখা ঃ ১

কাপোৰ, বিদ্যালয়।

(ঙ) তলত দিয়া যিকোনো এটা শব্দৰ আধুনিক ৰূপ লিখা ঃ ১

পুহাইলা, চৌপৰ।

(চ) তলত দিয়া যিকোনো এটা শব্দৰ বিপৰীত শব্দ লিখা ঃ ১

অমৃত, স্বাৰ্থ।

(ছ)ঃ তলত দিয়া যিকোনো এটা শব্দৰ বিপৰীত লিংগ লিখা ঃ ১

বোন্দা, দূঁতাল।

২৮/ তলত দিয়া যিকোনো দুটা ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া ঃ ২×২=৪

চৰণ, ঝুমুৰী, কুসুমমালা।

***********